# Leflunomide
# লেফ্লুন'মাইড


**IRA Committee on patient Education**
**ভাৰতীয় ৰিউমেটল'জী সন্থাৰ ৰোগী শিক্ষা সমিতি**

***Assamese Translation by:***
**Prof. Sanjeeb Kakati**
Deptt. of Medicine, Assam Medical College, Dibrugarh

***অসমীয়া অনুবাদ ঃ***
**ডাঃ সঞ্জীৱ কাকতি**
অধ্যাপক, মেডিচিন বিভাগ, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্রুগড়


**লেফ্লুন'মাইড (Leflunomide) কিদৰে সেৱন কৰিব লাগে?**

ইয়াৰ ল'ডিং ড'জ প্ৰথম তিনিদিনৰ কাৰণে হৈছে দৈনিক ১০০ মিলিগ্ৰাম। তাৰ পাছত ইয়াক দৈনিক ২০ মিলিগ্ৰামকৈ দিয়া হয় নাইবা ইয়াক ২০ মিলিগ্ৰামকৈ আৰম্ভ কৰিবও পাৰি। ইয়াক অন্যান্য ঔষধৰ লগত ব্যৱহাৰ কৰা হ'লে নাইবা ইয়াক শিশুসকলৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ প্ৰাৰম্ভিক দৈনিক ১০ মিলিগ্ৰামকৈ দিয়া হয়। ইয়াৰ ১০ আৰু ২০ মিলিগ্ৰামৰ বড়ি পোৱা যায়। সেয়ে সেৱন কৰোতে ভালদৰে চাই ল'ব লাগে। যদি পাৰ্শ্বক্ৰিয়া হোৱা দেখা যায়, ইয়াৰ মাত্ৰা দিনে ১০ মিলিগ্ৰামলৈ কমাব পাৰি।

**ই কিমান কাৰ্যকৰী ঃ**

বাত-বিষ ৰোগত ভোগা ৫০-৭০ শতাংশ ৰোগীৰ ক্ষেত্ৰত এই ঔষধে ভাল ফলাফল দিয়া দেখা গৈছে। এই ঔষধে কাম-কাজ কৰিব পৰা ক্ষমতা বৃদ্ধি কৰে আৰু জীৱনৰ মানদণ্ড উন্নত কৰে। এই ঔষধৰ ক্ৰিয়া ছয়ৰ পৰা আঠ সপ্তাহৰ পাছত আৰম্ভ হয় যদিও সম্পূৰ্ণ সুফল দেখা যায় তিনিৰ পৰা চাৰিমাহৰ পাছত।

**ইয়াৰ পাৰ্শ্বক্ৰিয়া কি কি?**

নিৰ্দিষ্ট মাত্ৰাত সেৱন কৰিলে ইয়াৰ পাৰ্শ্বক্ৰিয়া কম। সাধাৰণতে হোৱা পাৰ্শ্বক্ৰিয়া হৈছে, ছালৰ খজুৱটি, ছাল ৰঙা পৰা (rash), মূৰৰ চুলি সৰা (alopecia) আৰু পেটৰ অসুখ। যদি এইবোৰে গুৰুতৰ ৰূপ ধাৰণ কৰে তেন্তে চিকিৎসকক তৎক্ষণাত জনোৱাৰ প্ৰয়োজন। কাচিৎ ই তেজৰ পৰিমাণ (Blood count) হ্ৰাস কৰিব পাৰে। সেয়ে আপুনি তেজ পৰীক্ষা বা গণনা নিয়মীয়াকৈ কৰি থাকিব লাগে। কিছু সংখ্যক ৰোগীৰ যকৃতৰ ক্ষতি হ'ব পাৰে। কাচিৎহে হাওঁফাওঁৰ ক্ষতি হয়।

**নিয়মীয়া নিৰীক্ষণ (Monitor) কেনেদৰে কৰিম?**

প্ৰথম তিনিমাহত তলত দিয়া তেজ পৰীক্ষাবিলাক মাহিলী কৰিব লাগে আৰু ইয়াৰ পাছত দুই-তিনিমাহৰ ব্যৱধানত কৰিব লাগে।

— হিমগ্ল'বিন ৭ গ্ৰামকৈ কম হ'ব নালাগে।
— সম্পূৰ্ণ লিউকচাইট গণনা (TLC) ৪,০০০/cummতকৈ কম হ'ব নালাগে।
— প্লেটিলেট কাউণ্ট ১,০০০০০/cummতকৈ কম হ'ব নালাগে।
— এচ জি অ টি (SGOT) ৮০তকৈ অধিক হ'ব নালাগে।
— এচ জি পি টি (SGPT) ৮০তকৈ অধিক হ'ব নালাগে।
— ক্ৰিয়েটিনাইন ২ মিলিগ্ৰামতকৈ অধিক হ'ব নালাগে।
— যদি ইয়াৰে ভিতৰত কোনো সাল-সালনি দেখা যায়। ঔষধ বন্ধ কৰি তাৎক্ষণিক চিকিৎসকক জনাওঁক।

**গৰ্ভাৱস্থা ঃ**

লেফ্লুন'মাইড গৰ্ভাৱস্থাত সম্পূৰ্ণ নিষিদ্ধ। সেয়ে সন্তান জন্ম দিব পৰা বয়সৰ মহিলাসকলে এই ঔষধ ব্যৱহাৰ কৰিলে গৰ্ভনিৰোধক উপায় অৱলম্বন কৰিব লাগে। ঔষধ বন্ধ কৰাৰ কমেও দুবছৰলৈকে গৰ্ভধাৰণ কৰিব নালাগে।

**অস্বীকাৰকৰণ (Disclaimer) ঃ** উপৰোক্ত কথাখিনি চিকিৎসাবিধিৰ প্ৰতিষ্ঠাপন (substitution) নহয়। ই কেৱল কিছুসংখ্যক বিশেষজ্ঞৰ সামূহিক দৃষ্টিভংগীহে দাঙি ধৰিছে। ই ভাৰতীয় ৰিউমেটল'জী সন্থাৰ নিৰ্ধাৰিত নীতি নহয়।